আব্বাই মালিগাই অংশীদাৰী প্ৰতিষ্ঠান আৰু অন্য

-বনাম-

কে. সান্থাকুমাৰন আৰু অন্যান্য

৯ ছেপ্টেম্বৰ, ১৯৯৮ চন।

[ন্যায়াধীশ ড:এ.এছ. আনন্দ, ন্যায়াধীশ ভি.এন. খাৰে আৰু ন্যায়াধীশ ডি.পি. ৱাধৱাৰ বিচাৰপীঠ]

পুনৰীক্ষণ (ৰিভিউ)- উচ্চ ন্যায়ালয়ৰ আদেশক প্ৰত্যাহবান জনাই দাখিল কৰা বিশেষ অনুমতিৰ আবেদনসমূহ উচ্চতম ন্যায়ালয়ৰ দ্বাৰা খাৰিজ কৰা হৈছিল-তাৰপিছত যি আদেশক বিশেষ অনুমতিৰ আবেদনসমূহত প্ৰত্যাহবান জনোৱা হৈছিল সেই একে আদেশক পুনৰ প্ৰত্যাহবান জনাই উচ্চ ন্যায়ালয়ত পুনৰীক্ষণ (ৰিভিউ) আৱেদন দাখিল কৰা হৈছিল, উচ্চ ন্যায়ালয়ে পুনৰীক্ষণ (ৰিভিউ) আৱেদন মঞ্জুৰ কৰিছিল-গৃহীত, উচ্চ ন্যায়ালয় এই বিষয়ে অৱগত আছিল যে ইয়াৰ আদেশৰ বিপৰীতে দাখিল কৰা বিশেষ অনুমতিৰ আবেদনসমূহ ইতিমধ্যে খাৰিজ কৰা হৈছিল, নিজা কোনো আদেশ পুনৰীক্ষণ কৰাৰ কোনো ক্ষমতা বা ক্ষেত্ৰাধিকাৰ নাছিল, যিটো বিষয় বিশেষ অনুমতিৰ আবেদনত প্ৰত্যাহবান জনোৱা হৈছিল - বিবাদিত আদেশৰ জৰিয়তে ন্যায়িক যথাযথতাক পৰিত্যাগ কৰা হৈছে- প্ৰতিবাদীসকল যিয়ে বিশেষ অনুমতিৰ আবেদন খাৰিজ কৰাৰ পিছত উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল তেওঁলোকে আদালতৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ কৰিছিল আৰু বিৰক্তিদায়ক অপ্ৰয়োজনীয় মোকৰ্দমাত লিপ্ত হৈছিল-যি পদ্ধতিত পুনৰীক্ষণ আৱেদন দাখিল কৰা হৈছিল আৰু উচ্চ ন্যায়ালয়ত শুনানি গ্ৰহণ কৰা হৈছিল- অৱজ্ঞা -ন্যায়িক যথাযথতা- ভাড়া আৰু উচ্ছেদ ।

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : দেৱানী আপীল নং ৪৯৯৬-৪৯৯৯/১৯৯৪ । চি.এম.পি. নম্বৰ- ১৬৫৪১ আৰু ১৬৫৪২/৮৯ আৰু চি.আৰ.পি. নং ১৯৮৩ চনৰ ৪৯৭৪-৭৫ৰ অন্তৰ্গত আৰ.চি.এম.পি. নং ৪৪-৪৫/৯৪- গোচৰত ০৭.০৪,১৯৯৪ তাৰিখে মাদ্ৰাজ উষ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ প্ৰতিনিধিত্ব কৰিছে এছ্. শিৱসুব্ৰমনিয়াম আৰু ভি. বালাচন্দ্ৰনে।

প্ৰতিবাদীসকলৰ হৈ প্ৰতিনিধিত্ব কৰিছে ভি.আৰ.ৰেড্ডী, টি. ৰাজা, জয়প্ৰকাশ নাৰায়ণ আৰু সুনীল মুৰাৰ্কা ।

আদালতৰ আদেশ নিম্নলিখিতধৰণে প্ৰদান কৰা হৈছিল:

এই আপীলসমূহ মাদ্ৰাজ উষ্চ ন্যায়ালয়ে দেৱানী পুনৰীক্ষণ (ৰিভিজন)আবেদন. নং ৪৯৭৪-৭৫/ ১৯৮৩ৰ অন্তৰ্গত ৰিভিউ চি.এম.পি. নং ৪৪ আৰু ৪৫/১৯৯৪ গোচৰত ০৭.০৪.১০৯৪ তাৰিখে প্ৰদান কৰা আদেশৰ বিৰুদ্ধে নিৰ্দেশিত।

ভাড়া পৰিশোধ কৰাত হোৱা ইচ্ছাকৃত অক্ষমতা আৰু প্ৰতিবাদী নং ১ আৰু ২ৰ নিজা ব্যৱসায়ৰ বাবে হোৱা চৌহদটোৰ প্ৰামাণিক প্ৰয়োজনীয়তাৰ ভিত্তিত প্ৰতিবাদী নং ১ আৰু ২ দ্বাৰা দাখিল কৰা উচ্ছেদ আবেদনৰ পৰিপ্ৰেক্ষিতত ভাড়া নিয়ন্ত্ৰকে আপীলকাৰীসকলক উচ্ছেদ কৰাৰ নিৰ্দেশ দিছিল । আপীলকাৰী - ভাড়াতীয়াসকলৰ দ্বাৰা দাখিল কৰা আপীলত এইটো পোৱা গৈছিল যে ইয়াত সম্পত্তিৰ স্বত্ত সম্পৰ্কে এক যুক্তি সংগত বিবাদ আছিল যিটো দেৱানী আদালতৰ দ্বাৰা মিমাংশা কৰিব পাৰি।। ২৭.৮.১৯৮৩ তাৰিখে আপীল কৰ্তৃপক্ষই ভাড়া নিয়ন্ত্ৰকৰ আদেশ নাকচ কৰিলে। তাৰ পিছত প্ৰতিবাদী নং ১ আৰু ২ য়ে উষ্চ ন্যায়ালয়ত পুনৰীক্ষণ (ৰিভিজন)আবেদন দাখিল কৰে আৰু উষ্চ ন্যায়ালয়ে ইয়াৰ ০৭.০১.১৯৮৭ তাৰিখৰ আদেশৰ দ্বাৰা, আপীল কৰ্তৃপক্ষৰ দৃষ্টিভংগীক নিশ্চিত কৰি দুয়োখন পুনৰীক্ষণ(ৰিভিজন)আবেদন খাৰিজ কৰে । ০৭.০১.১৯৮৭ তাৰিখে উষ্চ ন্যায়ালয়ে প্ৰদান কৰা আদেশত ক্ষুব্ধ হৈ, প্ৰতিবাদী নং ১ আৰু ২ য়ে বিশেষ অনুমতিৰ আবেদন নং ৪০৩৯-৪০৪০/১৯৮৭ দাখিল কৰিছিল। আপীলকাৰীসকলেও কেভেটতৰ

(caveat)জৰিয়তে উচ্চতম ন্যায়ালয়ত হাজিৰ হৈছিল ।এই আদালতৰ জ্যেষ্ঠ অধিবক্তাসকলে দুয়োপক্ষকে প্ৰতিনিধিত্ব কৰিছিল।

পক্ষসমূহৰ বাবে প্ৰতিনিধিত্ব কৰা বিদ্বান অধিবক্তাসকলৰ মন্তব্য শুনি, ১৬.৯.১৯৮৭ তাৰিখে বিশেষ অনুমতিৰ আৱেদনসমূহ খাৰিজ কৰা হৈছিল। এই আদালতৰ দ্বাৰা বিশেষ অনুমতিৰ আৱেদনসমূহ খাৰিজ কৰাৰ পিছত, ০৭.০১.১৯৮৭ তাৰিখে দেৱানী পুনৰীক্ষণ (ৰিভিজন) আবেদন নং ৪৯৭৪ আৰু ৪৯৭৫/১৯৮৩ প্ৰদান কৰা খাৰিজকৰণৰ আদেশটোৰ পুনৰীক্ষণ বিচাৰি প্ৰতিবাদীয়ে উচ্চ ন্যায়ালয়ত পুনৰীক্ষণ আৱেদন নং ৪৪ আৰু ৪৫/১৯৯৪ দাখিল কৰিছিল। এইটো আছিল ০৭.০১.১৯৮৭ তাৰিখৰ আদেশ (ওপৰত উল্লেখিত) যিটো বিষয়, বিশেষ অনুমতিৰ আৱেদন নং ৪০৩৯-৪০৪০/৮৭ত প্ৰত্যাহ্বান জনোৱা হৈছিল। বিশেষ অনুমতিৰ আৱেদনসমূহ খাৰিজ কৰাৰ পিছত উচ্চ ন্যায়ালয়ত পুনৰীক্ষণ (ৰিভিউ) আৱেদন দাখিল কৰাত ২২১ দিন পলম হৈছিল । বিজ্ঞ একক ন্যায়াধীশে, আমাৰ সন্মুখত থকা বিবাদিত আদেশৰ জৰিয়তে কেৱল ২২১ দিনৰ বিলম্বক ক্ষমা কৰাই নহয়, লগতে ০৭.০১.১৯৮৭ তাৰিখে দিয়া আদেশবোৰৰ পৰ্যালোচনা, দেৱানী পুনৰীক্ষণ (ৰিভিজন) আবেদনত প্ৰদান কৰা আদেশবোৰৰ বিপৰীত দিশত পৰিবৰ্তন আৰু দেৱানী পুনৰীক্ষণ(ৰিভিজন) আবেদনত অনুমতি প্ৰদান কৰিছিল আৰু ভাড়াতীয়া - আপীলকাৰীক উচ্ছেদৰ নিৰ্দেশ দিছিল । আপীলকাৰীসকল অসন্তুষ্ট হৈ ৭.৪.১৯৯৪ তাৰিখে পুনৰীক্ষণ (ৰিভিউ) আৱেদনত প্ৰদান কৰা আদেশৰ বিৰুদ্ধে আমাৰ দ্বাৰস্হ হৈছে।

আমি পক্ষসমূহৰ বাবে উপস্থিত থকা বিদ্বান অধিবক্তাসকলৰ মন্তব্য শুনিছোঁ।

এই ন্যায়ালয়ে পক্ষসমূহৰ বাবে উপস্থিত থকা বিদ্বান অধিবক্তাসকলৰ মন্তব্য শুনি উচ্চ ন্যায়ালয়ৰ বিজ্ঞ একক ন্যায়াধীশে প্ৰদান কৰা আদেশৰ বিৰুদ্ধে দাখিল কৰা বিশেষ অনুমতিৰ আৱেদন খাৰিজ কৰাৰ পিছত তেওঁ যি ধৰণে নিজা আদেশৰ ক্ষেত্ৰত পুনৰীক্ষণ ক্ষেত্ৰাধিকাৰ ব্যৱহাৰ কৰিছিল ক'বলৈ গ'লে এইটো সঠিক হোৱা নাছিল। সেই পৰ্যায়ত বিজ্ঞ একক ন্যায়াধীশৰ হস্তক্ষেপ হৈছে ন্যায়িক অনুশাসন বিধ্বংসী। উচ্চ ন্যায়ালয় অৱগত আছিল যে ৭.১.৮৭ তাৰিখৰ আদেশৰ বিপৰীতে দাখিল কৰা এছ.এল.পি এই আদালতে ইতিমধ্যে খাৰিজ কৰিছে। সেয়েহে এই উচ্চ ন্যায়ালয়ৰ নিজস্ব-আদেশ পুনৰীক্ষণ কৰাৰ কোনো ক্ষমতা বা ক্ষেত্ৰাধিকাৰ নাছিল , যিটো বিষয়,

পূৰ্ব প্ৰত্যাহ্বানটো বিফল হোৱাৰ পিছত এই আদালতত এছ.এল.পিৰ জৰিয়তে প্ৰত্যাহ্বান জনোৱো হৈছল। ০৭.০৪.১৯৯৪ তাৰিখে বিবাদিত আদেশ প্ৰদান কৰি, ন্যায়িক যথাযথতাৰ পৰিত্যাগ কৰা হৈছে। এই আদালতৰ দ্বাৰা বিশেষ অনুমতিৰ আৱেদনসমূহ প্ৰতিদ্বন্দ্বিতাৰ ভিত্তিত খাৰিজ কৰাৰ পিছত, উচ্চ ন্যায়ালয়ৰ দ্বাৰা একে আদেশৰ বিপৰীতে কোনো পুনৰীক্ষণ আৱেদন গ্ৰহণ কৰিব নোৱাৰে । গোচৰটোৰ তথ্য আৰু পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পুনৰীক্ষণ আৱেদনৰ  পৰ্যালোচনা, এই  ন্যায়ালয়ৰ আদেশৰ প্ৰতি অপমানজনক আছিল । আমি আমাৰ তীব্ৰ অসন্মতি প্ৰকাশ কৰোঁ  আৰু আশা কৰোঁ যে ভৱিষ্যতে ইয়াত এনেধৰণৰ প্ৰয়োজন ন'হব যেতিয়া আমি আকৌ এনেকৈ ক'ব লগা হ'ব পাৰে । এনে পৰিস্থিতিত উচ্চ ন্যায়ালয়ে যি ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিছিল সেয়া স্পষ্টভাৱে আসোৱাাহপূৰ্ণ আছিল। প্ৰতিবাদীসকল, যিয়ে এই ন্যায়ালয়ৰ দ্বাৰা এছ.এল.পিবোৰ  খাৰিজ কৰা পিছত উচ্চ ন্যায়ালয়ৰ দ্বাৰস্হ হৈছিল তেওঁলোকে আদালতৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ কৰিছিল আৰু বিৰক্তিদায়ক অপ্ৰয়োজনীয় মোকৰ্দমাত লিপ্ত হৈছিল । এই ন্যায়ালয়ৰ দ্বাৰা এছ.এল.পিবোৰ খাৰিজ কৰা পিছত উচ্চ ন্যায়ালয়ত যি ধৰণে পুনৰীক্ষণ আৱেদন দাখিল আৰু শুনানী গ্ৰহণ কৰা হৈছিল সেয়া আমি দৃঢ়তাৰে অৱজ্ঞা কৰিছো। সেই ভিত্তিত আপীল আৱেদনবোৰ অনুমোদিত হোৱাৰ যোগ্য । ফলস্বৰূপে, আপীল আবেদনসমুহত অনুমোদন জনোৱা হৈছে আৰু পুনৰীক্ষণ আৱেদনত গৃহীত ৭.৪.১৯৯৪ তাৰিখৰ বিবাদিত আদেশ ইয়াৰ দ্বাৰা নাকচ কৰা হৈছে। প্ৰতিবাদীয়ে জৰিমনা  হিচাপে ১০,০০০ টকা পৰিশোধ কৰিব লাগিব।

আৰ.পি.  আপীলত অনুমতি প্ৰদান কৰা হৈছে।

অনুবাদক -উৰ্মি হাজৰিকা

কণিষ্ঠ অনুবাদক, অনুবাদ শাখা।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱে ই সঠিক বুলি বিবেচিত হ’ব।”